# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 11-03-2026
**Time :** 2125 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি শিৱসাগৰ জিলা ভ্ৰমণ কৰি আহোম সাম্ৰাজ্যৰ গৌৰৱোজ্জ্বল ঐতিহাসিক কৃতী চিহ্নসমূহ পৰিদৰ্শন কৰে। তেওঁ প্ৰথমে শিৱসাগৰ চহৰৰ মাজমজিয়াত থকা শিৱদৌল দৰ্শন কৰে আৰু তাত পূজা-অৰ্চনা কৰে। ইয়াৰ পাছত তেওঁ ৰংঘৰ পৰিদৰ্শন কৰি ইয়াৰ ঐতিহাসিক আৰু পুৰাতাত্বিক গুৰুত্ব তথা স্থাপত্য শৈলীৰ নিপুনতা দেখি অভিভূত হৈ পৰে। ৰাজ্যপালগৰাকীয়ে ৰংঘৰৰ পৰিসৰত অব্যাহত থকা বিভিন্ন উন্নয়নমূলক প্ৰকল্প আৰু সৌন্দৰ্যবৰ্ধন কাৰ্যৰ বিষয়েও বুজ লয়। শ্ৰীআচাৰ্যৰ এই ভ্ৰমণকালত জিলা আয়ুক্ত মৃদুল যাদৱ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়াকে ধৰি পুৰাতত্ব অৰীপ বিভাগৰ কেইবাগৰাকী বিষয়াই সংগ দিয়ে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাট আৰু কাৰ্বি আংলঙত ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ড° শৰ্মাই যোৰহাটত ৬২৭ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্প ৰাইজৰ বাবে উৎসৰ্গা কৰে। ড° শৰ্মাই এ টি ৰোডৰ ওপৰেৰে বৰুৱা চাৰিআলিৰ পৰা ভোগদৈ দলঙৰ সমীপলৈ ১৭৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা মণিৰাম দেৱান-পিয়ালী বৰুৱা উৰণ সেতু উদ্বোধন কৰে। ইয়াৰ পাছত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি তেওঁ ভাৰ্চুৱেল ব্যৱস্থাৰে যোৰহাট আভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পুথিভঁৰাল ভৱন, ইনড'ৰ ষ্টেডিয়াম আৰু ২০০ খন বিছনাযুক্ত ছাত্ৰাৱাস মুকলি কৰে। ইয়াৰ পূৰ্বে তেওঁ কেন্দ্ৰীয় কাৰাগাৰৰ সমীপত নিৰ্মাণ কৰা স্বৰাজ উদ্যান মুকলি কৰে। প্ৰায় ১৭৫ বিঘা ভূমিত নিৰ্মাণ কৰি উলিওৱা এই উদ্যানখনত উত্তৰ-পূৰৰ আটাইকেইখন ৰাজ্যৰ স্বাধীনতা সংগ্ৰামীসকলৰ অতুলনীয় অৱদানক সন্মান জনোৱাৰ লগতে কেইবাটাও গ্ৰেনাইটযুক্ত বিশেষ স্তম্ভ স্থাপন কৰা হৈছে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে কাৰ্বি আংলঙত দুহেজাৰ ১০৯ কোটি টকা ব্যয় সাপেক্ষ বহু কেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ড° শৰ্মাই পশ্চিম কাৰ্বি আংলঙৰ চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়, ডিফু টাউন লেক, কাৰ্বি আংলং ক্ৰীড়া সংস্থাৰ বিলাংভেক জলক্ৰীড়া ক্ষেত্ৰকে ধৰি ৫৪টা প্ৰকল্প উদ্বোধন কৰাৰ লগতে এহেজাৰ ২৯৩ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ৫৩টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

০০০০০০

অসমৰ ভৌগোলিক সূচ্যাংক অৰ্থাৎ জি আই টেগযুক্ত জহা চাউল বিদেশলৈ ৰপ্তানীৰ ব্যৱস্থা কৰা হৈছে। কাইলৈ দিনৰ ১১ বজাত খানাপাৰৰ কৃষি ভৱনৰ পৰা কৃষিমন্ত্ৰী অতুল বৰাই এই ৰপ্তানী কাৰ্যৰ শুভাৰম্ভ কৰিব। উল্লেখযোগ্য যে, অসমৰ পৰা প্ৰায় ২৫ মেট্ৰিক টন জহা চাউল প্ৰথমবাৰৰ বাবে ব্ৰিটেইন আৰু ইটালীলৈ ৰপ্তানী

কৰা হ'ব। বিশ্বৰ বিভিন্ন প্ৰান্তলৈ অসমৰ কৃষি সামগ্ৰী ৰপ্তানীৰ ক্ষেত্ৰত এই পদক্ষেপ মাইলৰ খুঁটি হিচাপে বিবেচিত হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজি সদৌ অসম কৰ্মচাৰী পৰিষদৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ আৰ্হিত গঠন কৰা অষ্টম দৰমহা আয়োগৰ জৰিয়তে ৰাজ্যখনৰ কৰ্মচাৰী সমাজ যাতে উপকৃত হ'ব পাৰে সেই বিষয়ত অৰ্ধশতাধিক সাংগঠনিক জিলা সমিতি আৰু প্ৰায় চাৰি কুৰিৰো অধিক শিক্ষক-কৰ্মচাৰী সংগঠনৰ সভাপতি, সম্পাদকসকলে বিস্তৃতভাৱে আলোচনা কৰে। সভাত কেন্দ্ৰীয় চৰকাৰৰ সমপৰিমাণে চলিত বৰ্ষৰ পহিলা জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ অষ্টম দৰমহা আয়োগৰ প্ৰতিবেদন দাখিল কৰাৰ বাবেও আহ্বান জনোৱা হয়। এই সভাতেই অষ্টম দৰমহা আয়োগ সন্দৰ্ভত প্ৰয়োজন সাপেক্ষে অভিজ্ঞ ব্যক্তি আৰু বিশেষজ্ঞৰ সৈতে আলোচনা কৰি পৰামৰ্শ গ্ৰহণৰ বাবে পৰিষদৰ সভাপতি আৰু সম্পাদকক কৰ্তৃত্ব প্ৰদান কৰা হয়।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত চৰাইদেউ জিলা প্ৰশাসনৰ বিষয়াসকলে আজি জিলাখনৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ সাংবাদিকসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত মূলত মিডিয়া প্ৰমানিকৰণ আৰু নিৰীক্ষণ সমিতিৰ কাৰ্যপ্ৰণালী তথা নিৰ্বাচনৰ সময়ত এই সমিতিৰ ভূমিকা সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত জিলা আয়ুক্ত ডং নেহা যাদৱে নিৰ্বাচন আয়োগৰ নিৰ্দেশাৱলী পালনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ সাংবাদিকসকলক এই সময়ছোৱাত ৰাজনৈতিক বিজ্ঞাপনৰ পূৰ্ব প্ৰমানীকৰণ, সংবাদ মাধ্যমৰ বিষয়বস্তুৰ নিৰন্তৰ নিৰীক্ষণৰ ক্ষেত্ৰত জিলা পৰ্যায়ৰ মিডিয়া প্ৰমানিকৰণ আৰু নিৰীক্ষণ সমিতিৰ ভূমিকাৰ বিষয়ে অৱগত কৰে। বৈঠকত নিৰ্বাচনৰ সময়ত সামাজিক মাধ্যম বা অন্যান্য মাধ্যমত অপপ্ৰচাৰ ৰোধৰ উপায় সন্দৰ্ভতো বিশদভাৱে আলোচনা কৰা হয়।

০০০০০০০

নামনি মাজুলীৰ কৰতিপাৰ গাওঁ পঞ্চায়তৰ অন্তৰ্গত চিৰামপুৰীয়া গাঁৱত আজিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত লোক উৎসৱ পঃৰাগ ধৰ্মীয় ৰীতি-নীতিৰে অনুষ্ঠিত হৈছে। আমাৰ মাজুলীৰ সংবাদদাতাই জনোৱা মতে, সমন্বয় আৰু সম্প্ৰীতিৰ বাৰ্তাৰে অনুষ্ঠিত হোৱা এই উৎসৱস্থলী আজি গোমৰাগ নৃত্যৰে মুখৰ হৈ পৰে। উৎসৱত বহুসংখ্যক লোকে ভিৰ কৰা পৰিলক্ষিত হয়। কাৰ্যসূচীত আজি পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ আৰু গছপুলি ৰোপণ কৰা হয়। ইয়াৰ পাছত অন্তৰংগ আলাপ আৰু দুপৰীয়াৰ ভাগত পঃৰাগ উৎসৱৰ মূল বিষয়ববীয়াসকলক শোভাযাত্ৰা কৰি মুৰংঘৰলৈ আদৰি অনা হয়।

০০০০০০

**সমাপ্ত**